# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৮৯/২০২০

**ওড়িশা, উত্তৰ প্ৰদেশ, বিহাৰ, পশ্চিম বংগ, হাৰিয়ানা আৰু মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ টেলিফোনযোগে বাৰ্তালাপ**

## বহিঃৰাজ্যত আবদ্ধ অসমৰ লোকসকলক প্ৰয়োজনীয় সা-সুবিধা আগবঢ়াবলৈ মুখ্যমন্ত্ৰী সোণোৱালৰ অনুৰোধ

**দিছপুৰ, ১৯ এপ্ৰিলঃ** ৰাজ্যৰ বাহিৰত আবদ্ধ হৈ থকা অসমৰ লোকসকলক প্ৰয়োজনীয় সা-সুবিধা আগবঢ়োৱাৰ বিষয়টো আলোচনা কৰাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ছয় গৰাকী মুখ্যমন্ত্ৰীৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়ক, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথ, বিহাৰৰ মুখ্যমন্ত্ৰী নিতীশ কুমাৰ, পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী মনোহৰ লাল খট্টৰ আৰু মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি সংশ্লিষ্ট ৰাজ্য কেইখনত আবদ্ধ হৈ থকা অসমৰ লোকসকলৰ সুবিধা-অসুবিধাৰ বুজ লয় আৰু তেওঁলোকৰ সুৰক্ষা তথা অত্যাৱশ্যকীয় সা-সুবিধা প্ৰদান সন্দৰ্ভত আলোচনা কৰে।

ক'ভিড-১৯ ৰ সংক্ৰমণ ৰোধৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱা দেশজোৰা লক্-ডাউনৰ ফলত ৰাজ্যখনৰ বহু সংখ্যক লোক দেশৰ বিভিন্ন ৰাজ্যত আবদ্ধ হৈ পৰিছে। দেশৰ অন্যান্য ৰাজ্যৰ লগতে ওড়িশা, উত্তৰ প্ৰদেশ, বিহাৰ, পশ্চিম বংগ, হাৰিয়ানা আৰু মধ্যপ্ৰদেশত অধ্যয়ন কৰি থকা অসমৰ ছাত্ৰ-ছাত্ৰীকে ধৰি বিভিন্ন ক্ষেত্ৰত কৰ্মৰত হৈ থকা ব্যক্তি, চিকিৎসা আৰু বিভিন্ন উদ্দেশ্যে ৰাজ্যকেইখনলৈ যোৱা অসমৰ বহু সংখ্যক লোক ইতিমধ্যে আবদ্ধ হৈ পৰিছে। এই লোকসকলক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াবলৈ ৰাজ্য চৰকাৰে নিজাববীয়াকৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে যদিও সংশ্লিষ্ট ৰাজ্যকেইখনৰ  তৰফৰ পৰা লাভ কৰা সহযোগিতাই তেওঁলোকক যথেষ্ট সকাহ দিয়াৰ লগতে মনোবল প্ৰদান কৰিব। অসমৰ এই লোকসকলক লক্-ডাউনৰ সময়ছোৱাত আশ্ৰয়, খাদ্য যোগান, চিকিৎসাকে ধৰি প্ৰয়োজনীয় সকলো ধৰণৰ সা-সুবিধা আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে সংশ্লিষ্ট ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী কেইগৰাকীক অনুৰোধ জনায়।

ইতিমধ্যে বিভিন্ন ৰাজ্য চৰকাৰলৈ অসম চৰকাৰৰ তৰফৰ পৰা এই সন্দৰ্ভত পত্ৰ প্ৰেৰণৰ প্ৰসংগ উল্লেখ কৰি অসম চৰকাৰেও অন্য ৰাজ্যৰ পৰা এনে ধৰণৰ পত্ৰ লাভ কৰাৰ কথা মুখ্যমন্ত্ৰী সোণোৱালে বাৰ্তালাপৰ সময়ত উল্লেখ কৰে। আলোচনাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে মুখ্যমন্ত্ৰী কেইগৰাকীক আশ্বস্ত কৰি কয় যে লক্-ডাউনৰ সময়ছোৱাত সংশ্লিষ্ট ৰাজ্যসমূহৰ যিসকল লোক অসমত আবদ্ধ হৈ আছে তেওঁলোকক সুৰক্ষিত কৰি ৰখাৰ লগতে এই সময়ছোৱাত যাতে তেওঁলোকে কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় সেই সন্দৰ্ভত অসম চৰকাৰে ইতিমধ্যে যথোচিত পদক্ষেপ গ্ৰহণ কৰিছে। বহিঃৰাজ্যৰ লোকসকলক সুৰক্ষিত কৰি ৰখা আৰু তেওঁলোকক প্ৰয়োজনীয় সা-সুবিধা আগবঢ়াবৰ বাবে ৰাজ্যখনৰ সকলো জিলাৰে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত

কৰে।

বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে সংশ্লিষ্ট ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰৰ সৈতে ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে প্ৰতিখন ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কতো  আলোচনা কৰে। মুখ্যমন্ত্ৰী সোণোৱালৰ সৈতে হোৱা বাৰ্তালাপৰ সময়ত আটাইকেইগৰাকী মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ নিজ নিজ ৰাজ্যত আবদ্ধ হৈ থকা অসমৰ লোকসকলৰ সুৰক্ষাকে ধৰি প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰে। ক'ভিড-১৯ ৰ বিৰুদ্ধে এই যুঁজত পাৰস্পৰিক সহযোগিতাৰে কাম কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীসকলে আলোচনাত মিলিত হয়।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
**১৯/৪/২০২০**